মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

WEDNESDAY, APRIL 10, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ১০২ Guwahati, Assam ।। মূল্যঃ এটকা

## মুখ্যমন্ত্ৰীৰ চহী থকা পত্ৰ ভাইৰেল

**ই-সংবাদ, ৯ এপ্ৰিলঃ** সামাজিক মাধ্যমত এখন পত্ৰ ব্যাপক হাৰত ভাইৰেল হৈছে। মুখ্যমন্ত্ৰী শেষাংশ ২ পৃষ্ঠাত

## মোদীৰ সপোনক লৈ নিৰ্বাচনী ৰণনীতিকাৰ প্ৰশান্ত কিশোৰৰ দাবী

# ‘৪০০ আসন নাপায় বিজেপিয়ে’

**নতুন দিল্লী, ৯ এপ্ৰিলঃ** সমাগত লোকসভা নিৰ্বাচন। দিনদিয়েক পিছতে দেশজুৰি অনুষ্ঠিত হ'ব গণতন্ত্ৰৰ সৰ্ববৃহৎ উৎসৱ। এইবাৰ লোকসভা নিৰ্বাচনত ৩৭০ খন আসন লাভ কৰিব বুলি ইতিমধ্যেই দাবী কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিয়ে। আনহাতে বিজেপি সমৰ্থিত এন ডি এয়ে লাভ কৰিব ৪০০ খন আসন। লোকসভা নিৰ্বাচনক লৈ বিজেপি আৰু সহযোগী দলৰ এই দাবীৰ



মাজতে বিস্ফোৰক মন্তব্য আগবঢ়াইছে দেশৰ প্ৰসিদ্ধ নিৰ্বাচনী ৰণনীতিকাৰ প্ৰশান্ত কিশোৰে। এক সাক্ষাৎকাৰত বিজেপি আৰু এন ডি এয়ে ৪০০ খন আসন লাভ কৰাটো শেষাংশ ২ পৃষ্ঠাত

## মুখ্য নিৰ্বাচন আয়ুক্তক দিলে জেদ প্লাছ

**নতুন দিল্লী, ৯ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে জীৱনলৈ ভাবুকি আহিছে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰৰ। কেন্দ্ৰীয় নিৰাপত্তা সংস্থাসমূহে ৩ পৃষ্ঠাত

## কোনোৱে যদি আবেদন কৰা নাই তেন্তে ‘কা’ৰ কি প্ৰয়োজনঃ গৌৰৱ গগৈ



**ই-সংবাদ, সোণাৰি, ৯ এপ্ৰিলঃ** অসম চুক্তিৰ প্ৰতি এটা সকলোৰে আৱেগ আছে, ৰাইজৰ আৱেগক নেওচি বিজেপিয়ে 'কা' আইন বলৱৎ কৰি অসম আৰু অসমীয়াক অপমান শেষাংশ ৪ পৃষ্ঠাত

## ১৭ এপ্ৰিলত অসমলৈ আহিব ৰাহুল গান্ধী

**ই-সংবাদ, ৯ এপ্ৰিলঃ** উজনি অসমত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি আছে ৰাষ্ট্ৰীয় কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা সাংসদ ৰাহুল গান্ধী। অহা ১৭ এপ্ৰিলত উজনি অসমত দুখনকৈ জনসভা সম্বোধন কৰিব শেষাংশ ৪ পৃষ্ঠাত

## অসমত অমিত শ্বাহৰ নিৰ্বাচনী ৰণডংকা

**ই-সংবাদ, ৯ এপ্ৰিলঃ** নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে কেন্দ্ৰ-ৰাজ্য শাসিত বিজেপি দলৰ প্ৰথমগৰাকী কেন্দ্ৰীয় নেতাই আজি অসম ভ্ৰমণ কৰি বিজেপিৰ প্ৰাৰ্থীৰ হৈ ভোট ভিক্ষা কৰে। প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড়, যোৰহাট, কাজিৰঙা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থীৰ হকে আজি নিৰ্বাচনী প্ৰচাৰ চলাই কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ প্ৰভাৱশালী নেতা অমিত শ্বাহে। কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে লখিমপুৰৰ শেষাংশ ৫ পৃষ্ঠাত

## পৰেশ বৰুৱাৰ ভাতৃ ৰাজনীতিলৈ

**ই-সংবাদ, ৯ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ প্ৰচাৰক লৈ ৰাজ্যত গৰম বতাহ বলি থকাৰ সময়তে আলফা স্বাধীনৰ শেষাংশ ৫ পৃষ্ঠাত

## প্ৰসংগ চীনঃ জয়ৰাম ৰমেশৰ শ্বাহক প্ৰত্যুত্তৰ

**ই-সংবাদ, ৯ এপ্ৰিলঃ** আজি অসমত নিৰ্বাচনী প্ৰচাৰৰ বাবে অনুষ্ঠিত জনসভাত অংশ লৈ অমিত শ্বাহে চীনে অসমৰ এক ইঞ্চি মাটিও দখল কৰিব নোৱাৰে বুলি দাবী কৰিছিল। অমিত শ্বাহৰ এই দাবীৰ শেষাংশ ৪ পৃষ্ঠাত



কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক আদৰণি মুখ্যমন্ত্ৰীৰ

## পত্নীসহিতে কংগ্ৰেছলৈ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী

**নতুন দিল্লী, ৯ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ তাৰিখ ঘোষণা হোৱাৰ পিছতে একাংশ নেতাৰ দল বাগৰা আচৰণে গৰম কৰি ৰাখিছে দেশৰ ৰাজনীতি। যি সময়ত শেষাংশ ২ পৃষ্ঠাত

## বেদব্ৰত বৰাক ভাঃ অধ্যক্ষৰ দায়িত্ব

**ই-সংবাদ, ৯ এপ্ৰিলঃ** নিৰ্বাচনী প্ৰচাৰৰ ব্যস্ততাৰ মাজতে আজি প্ৰদেশ কংগ্ৰেছে মিডিয়া বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নিয়োগ শেষাংশ ৩ পৃষ্ঠাত

## মোদীৰ ৰাজ্যতে বিজেপিত ক্ষোভৰ জুই

**আহমেদাবাদ, ৯ এপ্ৰিলঃ** এইবাৰ লোকসভা নিৰ্বাচনত ৪০০ খন আসন লাভৰ শ্লোগান দি ৰণাঙ্গনত নামিছে বিজেপি আৰু এনডিএৰ সহযোগী দল। কিন্তু লোকসভা নিৰ্বাচনৰ ঠিক পূৰ্বে এতিয়া খোদ মোদী-অমিত শ্বাহৰ ৰাজ্যতে ক্ষোভৰ জুইত দহিবলৈ আৰম্ভ কৰিছে বিজেপি। গুজৰাটৰ ৰাজকোট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী পুৰুষোত্তম ৰূপালাৰ এক মন্তব্যৰ পিছতে এতিয়া ৰাজ্যখনত নিতৌ প্ৰতিবাদমুখৰ পৰিৱেশৰ সৃষ্টি কৰিছে শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪০০ আসন নাপায়

কোনোপধ্যেই সম্ভৱ নহয় বুলি মন্তব্য কৰে প্ৰশান্ত কিশোৰে। অৱশ্যে সমাগত লোকসভা নিৰ্বাচনত পুনৰ এবাৰ বিজেপি শাসনৰ গাদীত অধিষ্ঠিত হ'ব বুলিও মন্তব্য কৰে প্ৰশান্ত কিশোৰে। নৰেন্দ্ৰ মোদীক তৃতীয়বাৰৰ বাবে গুজৰাটৰ মুখ্যমন্ত্ৰীৰ আসনত বহুওৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা আৰু ২০১৪ লোকসভা নিৰ্বাচনতো বিজেপিৰ জয়ৰ মূল কাণ্ডাৰী হৈ পৰা নিৰ্বাচনী ৰণনীতিকাৰ প্ৰশান্ত কিশোৰে দাবী কৰা মতে, বিজেপিৰ বাবে অভেদ্য দুৰ্গ হিচাপে পৰিচিত হৈ অহা পূব আৰু দক্ষিণ ভাৰতত এইবাৰ ভাল প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব গেৰুৱা শিবিৰে। কিন্তু তাৰ পিছতো নিৰ্বাচনত বিজেপিয়ে ৩৭০ খন আসনৰ সীমা স্পৰ্শ কৰিব নোৱাৰিব বুলিও ভৱিষ্যদ্বাণী কৰে প্ৰশান্ত কিশোৰে। ইফালে বিৰোধীক সমালোচনা কৰি প্ৰশান্ত কিশোৰে কয় যে মোদী আৰু বিজেপি শক্তিশালী হ'লেও অপ্ৰতিৰোধ্য নহয়। তেওঁৰ মতে, বিজেপিক পৰাস্ত কৰিবলৈ বিৰোধীৰ হাতত বহু অস্ত্ৰ-শস্ত্ৰ আছে যদিও তাৰ সময়মতে ব্যৱহাৰ কৰা নাই। গতিকে ভুল সিদ্ধান্তৰ বাবে বিৰোধী দলসমূহে ক্ষতিগ্ৰস্ত হ'ব লাগিব বুলিও মন্তব্য কৰে প্ৰশান্ত কিশোৰে। তেওঁৰ মতে, বিৰোধীয়ে কমেও তিনিটা ভাল সুযোগ হেৰুৱাইছে। সময়মতে এই সুযোগসমূহৰ ব্যৱহাৰ কৰিব পৰা হ'লে বিৰোধীয়ে বিজেপি আৰু মোদীৰ যাত্ৰা ৰুদ্ধ কৰিবলৈ সক্ষম হ'লহেঁতেন৷ আনহাতে বংগ আৰু কৰ্ণাটকত বিজেপিয়ে এইবাৰ কিমান আসন পাব পাৰে তাৰো আভাস দিয়ে প্ৰশান্ত কিশোৰে। কেৱল সেয়াই নহয়, বিজেপি বংগৰ এক নম্বৰ দল হ'ব পাৰে বুলিও তেওঁ ইংগিত দিয়ে। প্ৰশান্ত কিশোৰৰ মতে, তেলেংগানাৰ দৰে ৰাজ্যত বিজেপিয়ে প্ৰথম বা দ্বিতীয় স্থান লাভ কৰিব পাৰে। বিজেপি ওড়িশাতো আটাইতকৈ ডাঙৰ দল হ'ব পাৰে। প্ৰশান্ত কিশোৰে ইংগিত দিছে যে তামিলনাডুতো বিজেপিৰ ভোটৰ অংশ দুটা সংখ্যাত হ'ব পাৰে। আনহাতে, প্ৰশান্ত কিশোৰৰ মতে উত্তৰ আৰু পশ্চিম ভাৰতত বিজেপিয়ে নিজৰ গড় বজাই ৰাখিবলৈ সক্ষম হ'ব। তেওঁৰ মতে এই বিষয়টো লোকসভা নিৰ্বাচনৰ দৌৰত 'এক্স ফেক্টৰ'ৰ ভিতৰত অন্যতম হ'ব। তেওঁৰ মতে এই বিষয়টোৱে বিজেপিক বহুখিনি আগুৱাই নিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...


# পত্নীসহিতে কংগ্ৰেছলৈ প্ৰাক্তন

বিৰোধীৰ জ্যেষ্ঠ নেতাই ক্ষমতা কুক্ষিগত কৰাৰ স্বাৰ্থতে গেৰুৱা বসন পৰিধানৰ দৌৰত নামি পৰিছে, সেই সময়তে এইবাৰ বিজেপি ত্যাগ কৰি কংগ্ৰেছত যোগদান কৰিলে এগৰাকী প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আৰু তেওঁৰ সহধৰ্মিনীয়ে। ৮ এপ্ৰিল অৰ্থাৎ সোমবাৰে বিজেপিৰ পৰা পদত্যাগ কৰাৰ পিছত মঙলবাৰে আনুষ্ঠানিকভাৱে কংগ্ৰেছত যোগদান কৰে মোদী চৰকাৰৰ প্ৰাক্তন কেন্দ্ৰীয় তীখা মন্ত্ৰী বীৰেন্দ্ৰ সিং আৰু তেওঁৰ প্ৰাক্তন বিধায়িকা পত্নী প্ৰেম লতাই। কংগ্ৰেছত যোগদান কৰি বীৰেন্দ্ৰ সিঙে কয়, "এয়া কেৱল মোৰ ঘৰলৈ উভতনি যাত্ৰাই নহয়, এয়া বিচাৰধাৰাৰ উভতনি যাত্ৰাও।' ইফালে বীৰেন্দ্ৰ সিং আৰু প্ৰেম লতাক কংগ্ৰেছলৈ আদৰণি জনাই দলৰ নেতা মুকুল ৱাছনিকে কয়, "তেওঁলোকৰ যোগদানৰ ফলত মই নিশ্চিত যে হাৰিয়ানাত কংগ্ৰেছ শক্তিশালী হ'ব আৰু ৰাজ্যখনত কংগ্ৰেছ চৰকাৰ গঠনত সহায় কৰিব।" প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে তেওঁৰ পত্নীক কংগ্ৰেছলৈ আদৰণি জনায় হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভুপিন্দৰ সিং হুডাইও। আজি বীৰেন্দ্ৰ সিং আৰু প্ৰেম লতাৰ কংগ্ৰেছ যোগদান অনুষ্ঠানত জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী কুমাৰী শৈলজা, হাৰিয়ানা দলৰ মুৰব্বী উদয় ভান, হাৰিয়ানা বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ কিৰণ চৌধুৰী, পঞ্জাৱৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী ৰাজিন্দৰ কৌৰ ভট্টল, এআইচিচি অবিচি চেলৰ মুৰব্বী কেপ্টেইন অজয় সিংকে ধৰি অন্যান্য কংগ্ৰেছ নেতাসকলো উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ চহী থকা পত্ৰ

হিমন্ত বিশ্ব শৰ্মাৰ স্বাক্ষৰ থকা পত্ৰখন ব্যাপক হাৰত ভাইৰেল হ'ব ধৰাত নিৰ্বাচনত প্ৰভাৱ পৰাৰ আশংকা কৰা হৈছে৷ এই পত্ৰখন যোগে ৰাজ্যৰ ভোটাৰক পোনে পোনে ভাবুকি দিয়া পৰিলক্ষিত হৈছে৷ যিখন পত্ৰৰ দ্বাৰা ভোটাৰ সন্ত্ৰাসিত হোৱাৰ আশংকা আছে৷ একাংশ লোকে এইখন পত্ৰ শ্বেয়াৰ কৰি বিভিন্ন প্ৰশ্ন উত্থাপন কৰিছে৷ এই পত্ৰখনক পত্ৰ বোমা আখ্যাও দিব পাৰিব৷ কিয়নো ভোটাৰৰ অধিকাৰক লৈ খেলা কৰা হৈছে৷ পত্ৰখনত উল্লেখ কৰা মতে, এই পত্ৰখন মুখ্যমন্ত্ৰীয়ে লিখিছে৷ তলত মুখ্যমন্ত্ৰীৰ স্বাক্ষৰো আছে৷ মুখ্যমন্ত্ৰীয়ে দলৰ সকলো নেতা-কৰ্মীক সম্বোধন কৰি ভোটৰ দিনা ভোটগ্ৰহণ



বাৰ্তা

প্ৰতি

সকলো পৃষ্ঠাপ্ৰমুখ, বুথ কমিটি ,ৱাৰ্ড সদস্য, পঞ্চায়ত প্ৰতিনিধি, জিলা পৰিষদৰ সদস্যসকল, বিধায়কসকল, আৰু সাংসদসকল।

ভোট গ্ৰহণৰ দিনা সকলো ভোট গ্ৰহণ কেন্দ্ৰতে আপোনালোকে এটা কামৰ প্ৰতি তীক্ষ্ণ মনোযোগ দিব যাতে ভোটাৰ সকল ভোট দিবলৈ আহোঁতে আপোনালোকৰ ওচৰত থকা ভোটাৰ তালিকা খনত ভোট দিবলৈ অহা ব্যক্তিজনৰ ভোট দিয়া সময়ৰ সঠিক সময়টো লিখি ৰাখে যেন।

মই Technology ( AI ) ব্যৱহাৰ কৰি কোনজন ব্যক্তিয়ে কাক ভোট দিছে উলিয়াই লম। যিসকলে BJP ক ভোট নিদিব তেওঁলোকে বৰ্তমান পাই থকা সকলো চৰকাৰী আঁচনি বা সুবিধাৰ পৰা বঞ্চিত কৰা হব আৰু ভৱিষ্যতে পাব লগীয়া চৰকাৰী আঁচনিৰ পৰাও বঞ্চিত কৰা হব।

Himanta Biswa Sarma

কেন্দ্ৰত এটা কথাক গুৰুত্ব দিবলৈ কৈছে৷ ভোটাৰসকলে ভোট দিবলৈ আহিলে কেন্দ্ৰত থকাসকলক ভোটদানৰ সময় লিখি ৰাখিবলৈ কোৱা হৈছে৷ সময় জানিলে কৃত্ৰিম বুদ্ধিমত্তা চমুকৈ এআই ব্যৱহাৰ কৰি ভোটাৰজনে কাক ভোট দিছে সেই কথা উলিয়াই ল'ব পাৰি বুলি কয়৷ ভোটদানৰ তথ্য উলিয়াই লৈ যিসকলে বিজেপিক ভোট নিদিব সেইসকল ভোটাৰৰ সকলো চৰকাৰী আঁচনি বন্ধ কৰি দিয়া হ'ব বুলি পত্ৰখন যোগে প্ৰচাৰ কৰি থকা হৈছে৷ এই পত্ৰখন সঁচা নে মিছা সেই কথা এতিয়াই ক'ব পৰা নাযায়৷ পত্ৰখন ভুৱা বুলিও সন্দেহ কৰা হৈছে৷ সঁচাকৈ মুখ্যমন্ত্ৰীৰ স্বাক্ষৰযুক্ত পত্ৰখন মুখ্যমন্ত্ৰীয়ে দলীয় নেতা-কৰ্মীক দিছে নেকি? তাকে লৈ ৰহস্যৰ সৃষ্টি হৈছে৷ কিয়নো মুখ্যমন্ত্ৰীৰ কাৰ্যালয়, নিৰ্বাচন আয়োগ তথা বিৰোধী দলে এই পৰ্যন্ত পত্ৰখনক লৈ কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া দিয়া নাই৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীৰ ৰাজ্যতে বিজেপিত

ৰাজপুত-ক্ষত্ৰিয় জনগোষ্ঠীয়ে। আনকি পুৰুষোত্তম ৰূপালাৰ প্ৰাৰ্থিত্ব বাতিল নকৰিলে আত্মজাহ যোৱাৰো হুংকাৰ দিছে ৰাজপুত মহিলাই। মঙলবাৰে ৰাজকোট বিজেপিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী পুৰুষোত্তম ৰূপালাৰ বিৰুদ্ধে জাতিক অপমান কৰাৰ অভিযোগ উত্থাপন কৰি গান্ধীনগৰৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ৰ সন্মুখত সমদল বাহিৰ কৰি প্ৰতিবাদ সাব্যস্ত কৰে ৰাজপুত সংগঠন কৰণী সেনাৰ সদস্যসকলে। ইফালে এই প্ৰতিবাদত অংশগ্ৰহণ কৰিবলৈ যোৱাৰ সময়তে আহমেদাবাদৰ বিমান বন্দৰত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে কৰণী সেনাৰ সৰ্বভাৰতীয় সভাপতি ৰাজ শ্বেখাৱটক। আহমেদাবাদৰ সহকাৰী আৰক্ষী আয়ুক্ত ভি এন যাদৱে কয়, 'ৰাজ শ্বেখাৱটে এক্স হেণ্ডেলত লিখিছিল যে তেওঁ গান্ধীনগৰৰ বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয় 'শ্ৰী কমলাম'ৰ সন্মুখত প্ৰতিবাদ কৰিবলৈ ওলাইছে। নিৰ্বাচনৰ পূৰ্বে অশান্তিৰ পৰা হাত সাৰিবলৈ সতৰ্কতামূলক ব্যৱস্থা হিচাপে তেওঁক আটক কৰা হয়।" আনহাতে গান্ধীনগৰ আৰু আহমেদাবাদৰ বিভিন্ন অঞ্চলত প্ৰতিবাদকাৰী কৰণী সেনাৰ সদস্যৰ আৰু আৰক্ষীৰ মাজত সংঘৰ্ষৰো সৃষ্টি হয়।

উল্লেখ্য যে, নৰেন্দ্ৰ মোদী গুজৰাটৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত পুৰুষোত্তম ৰূপালা গুজৰাট বিজেপিৰ সভাপতি আছিল। মোদী প্ৰধানমন্ত্ৰী হোৱাৰ পিছত তেওঁ কেন্দ্ৰীয় মন্ত্ৰী হৈ পৰে। অভিযোগ অনুসৰি শেহতীয়াকৈ ৰূপালাই নিজৰ সমৰ্থিত এখন দলিত সভাত কয়, 'আমাৰ ওপৰত বিদেশী মোগলে শাসন কৰিছে। ইংৰাজেও কৰিলে। আমাক অত্যাচাৰ কৰি থাকিল। কিন্তু ৰাজপুত মহাৰাজসকলে তেওঁলোকৰ ওচৰত সেৱা জনাই 'ৰুটি আৰু বেটি'ৰ ব্যৱসায় কৰিছিল। আমাৰ ৰুখী (গুজৰাট দলিত) সম্প্ৰদায়ে অৱশ্যে ধৰ্ম সলনি কৰা নাছিল বা ইংৰাজৰ লগত জড়িত নাছিল।" অভিযোগ অনুসৰি মোগল সম্ৰাটৰ পৰিয়ালত ৰাজপুত ৰাজকুমাৰীৰ বিবাহৰ ইতিহাস বৰ্ণনা কৰাৰ সময়তে ৰূপালাই এইদৰে মন্তব্য কৰে। মাৰ্চ মাহৰ শেষৰ ফালে দিয়া ভাষণৰ ভিডিঅ' ভাইৰেল হৈ পৰাৰ পিছতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে ৰাজপুতৰ মাজত বিক্ষোভ আৰম্ভ হয়। পৰৱৰ্তী সময়ত ৰূপালাই নিজৰ ভুল স্বীকাৰ কৰি কেইবাবাৰো ক্ষমা বিচাৰে যদিও ৰাজ্যৰ ৰাজপুত নেতাসকলে মানি ল'বলৈ অস্বীকাৰ কৰে। চিত্তৰৰ ৰাণী পদ্মৱতী আৰু তেওঁৰ সহযোগীসকলৰ আদৰ্শ অনুসৰণ কৰি ৰাজপুত-ক্ষত্ৰীয় সম্প্ৰদায়ৰ পাঁচগৰাকী মহিলাই তেওঁৰ প্ৰাৰ্থীত্ব বাতিল নকৰিলে নিজৰ আত্মসন্মান ৰক্ষাৰ বাবে 'জাহাৰ' (জুইত জপিয়াই আত্মহত্যা) কৰাৰো হুংকাৰ দিয়ে। আনফালে ৰাজপুত-ক্ষত্ৰিয়ৰ এই ক্ষোভ এতিয়া কেৱল গুজৰাটতে সীমাবদ্ধ হৈ থকা নাই। এই ক্ষোভৰ জুই এতিয়া ৰাজস্থান, হাৰিয়ানা, মধ্যপ্ৰদেশ আৰু উত্তৰ প্ৰদেশতো বিয়পি পৰি ইতিমধ্যে বিভিন্ন ৰাজপুত-ক্ষত্ৰীয় সংগঠনে বিজেপি বিৰোধী অভিযান আৰম্ভ কৰিছে। দেওবাৰে উত্তৰ প্ৰদেশৰ সাহাৰনপুৰত ৰাজপুত আৰু ক্ষত্ৰীয় সম্প্ৰদায়ৰ জ্যেষ্ঠ সদস্যসকলে এখন মহাপঞ্চায়ত আহ্বান কৰে, য'ত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰে। হাৰিয়ানা, ৰাজস্থান আৰু গুজৰাটৰ পৰাও ৰাজপুত-ক্ষত্ৰীয় প্ৰতিনিধি পঞ্চায়তত ভাগ লয়। ইয়াৰোপৰি বিভিন্ন কৃষক সংগঠনৰ নেতাইও অংশগ্ৰহণ কৰে এই মহাপঞ্চায়তত। এই মহাপঞ্চায়তে ৰাজপুত নেতা ঠাকুৰ পুৰণ সিঙে বিজেপিক পৰাস্ত কৰিবলৈ শক্তিশালী বিৰোধী প্ৰাৰ্থীগৰাকীক সমৰ্থনৰ বাবে মুকলিকৈ আহ্বান জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্য নিৰ্বাচন আয়ুক্তক

ব্যক্ত কৰা এই আশংকাৰ পিছতে সশস্ত্ৰ কমাণ্ডোৰ জেড শ্ৰেণীৰ ভিআইপি নিৰাপত্তা প্ৰদান কৰা হৈছে দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰক। উল্লেখ্য যে, অহা ১৯ এপ্ৰিলৰ পৰা সাতটা পৰ্যায়ত দেশজুৰি অনুষ্ঠিত হ'ব লোকসভা নিৰ্বাচনৰ। ইয়াৰ পিছতে ৪ জুনত ঘোষণা কৰা হ'ব নিৰ্বাচনৰ ফলাফল। নিৰ্বাচনৰ পূৰ্বে মুখ্য নিৰ্বাচন আয়ুক্তলৈ ভাবুকি অহাৰ আশংকা ব্যক্ত কৰে কেন্দ্ৰীয় নিৰাপত্তা সংস্থাই। ইয়াৰ পিছতে কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীক মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰৰ জেড শ্ৰেণীৰ নিৰাপত্তাৰ বাবে ৪০-৪৫ জনীয়া এটা দল যোগানৰ নিৰ্দেশ জাৰি কৰে। দেশৰ বিভিন্ন প্ৰান্ত ভ্ৰমণৰ সময়ত সশস্ত্ৰ কমাণ্ডোসকলো মুখ্য নিৰ্বাচন আয়ুক্তৰ লগতে থাকিব বুলিও সূত্ৰই জানিবলৈ দিয়ে। উল্লেখ্য যে, ৰাজীৱ কুমাৰ হৈছে ১৯৮৪ চনৰ বেচৰ অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া। ২০২২ চনৰ ১৫ মে'ত তেওঁ ২৫ সংখ্যক মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল। দিনদিয়েক পূৰ্বে বাকী দুই আয়ুক্তকো নিযুক্তি দিয়া হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বেদব্ৰত বৰাক ভাঃ অধ্যক্ষ

নিয়োগ কৰিছে৷ প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ সম-অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা বেদব্ৰত বৰাক ভাৰপ্ৰাপ্ত অধ্যক্ষ নিয়োগ কৰিছে প্ৰদেশ কংগ্ৰেছে৷ আজি এক নিৰ্দেশনাযোগে এই কথা প্ৰকাশ কৰিছে অসম প্ৰদেশ কংগ্ৰেছে৷ অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ নৱ নিযুক্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ বেদব্ৰত বৰাই পূৰ্বে কেইবাখনো আগশাৰীৰ দৈনিক বাতৰিকাকত আৰু নিউজ চেনেলত সক্ৰিয় হৈ জ্যেষ্ঠ সাংবাদিক হিচাপে কাম কৰি আছিল৷ প্ৰায় ৬ মাহ পূৰ্বে সাংবাদিকতা এৰি কংগ্ৰেছ দলত যোগদান কৰিছিল বৰাই৷ তাৰ পাছতে মিডিয়া বিভাগৰ সম-অধ্যক্ষ পদৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰিছিল যদিও এইবাৰ প্ৰদেশ কংগ্ৰেছে বেদব্ৰত বৰাক অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব প্ৰদান কৰিছে৷ উল্লেখ্য যে, মিডিয়া বিভাগৰ অধ্যক্ষৰ দায়িত্বত আছিল নাওবৈচাৰ সমষ্টিৰ বিধায়ক ভৰত নৰহ৷ কিন্তু লখিমপুৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থিত্ব কেন্দ্ৰিক সংঘাতৰ বাবে ভৰত নৰহে অধ্যক্ষ পদ ত্যাগ কৰিছিল৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কোনোৱে যদি আবেদন কৰা

কৰিছে। যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে এইদৰে কয় সোণাৰিত। তেওঁ প্ৰশ্ন কৰে, 'মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে 'কা'ত যদি কোনো আবেদনেই নাই কৰা তেন্তে 'কা' আইনৰ কি প্ৰয়োজন আছে?' মেঘালয়, মণিপুৰত যদি কা বলৱৎ নহয় তেনেহ'লে অসমত এই আইন প্ৰযোজ্য কৰিবলৈ ইমান উত্ৰাৱল হৈ থকাৰ প্ৰয়োজন নাই বুলিও গগৈয়ে কয়। উল্লেখ্য যে সোমবাৰে সোণাৰি নগৰত ৫ শতাধিক কংগ্ৰেছ কৰ্মীৰ অংশগ্ৰহণেৰে ৰোড শ্ব' কৰি গৌৰৱ গগৈয়ে কয়, বিজেপিয়ে এনআৰচিত বাদ পৰি ৰোৱা ভাৰতীয় নাগৰিককো 'কা' ত অন্তৰ্ভুক্ত কৰাতো নাগৰিকসকলৰ বাবেই অপমানজনক আৰু লজ্জাজনক কথা। ইফালে 'কা'ক লৈ বিৰোধীয়ে ৰাজনীতি কৰা বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কংগ্ৰেছ নেতাজনে কয়, 'অসমৰ স্বাভিমান, অসমৰ ভাষা-সংস্কৃতিক লৈ আমি ৰাজনীতি কৰিমেই। অসমৰ ভাষা-সংস্কৃতিক ধ্বংস কৰিব বিচৰা যিকোনো কথাৰ বিৰুদ্ধে আমি মাত মাতি যাম অসম আৰু অসমীয়াৰ স্বাৰ্থত।' উল্লেখ্য যে সোমবাৰে সোণাৰি সমষ্টিৰ বিভিন্ন পঞ্চায়তত দিনযোৰা নিৰ্বাচনী প্ৰচাৰৰ পাছত নিশা ন বজাত সোণাৰি নগৰত ৰোড শ্ব' কাৰ্যসূচীত অংশগ্ৰহণ কৰে কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে। সেই সময়তে গৌৰৱ গগৈয়ে কয়, 'সোণাৰি সমষ্টিৰ ৰাইজৰো মান-সন্মান আছে। তেওঁলোকৰ আশা-আকাংক্ষাবোৰক দিল্লীৰ সদনত স্থান দিবলৈ মই যৎপৰোনাস্তি চেষ্টা কৰিম।'

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰসংগ চীনঃ জয়ৰাম

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি জয়ৰাম ৰমেশে প্ৰত্যুত্তৰ দিছে অমিত শ্বাহক৷ চীনে এক ইঞ্চি ভূমি দখল কৰিব নোৱাৰে বুলি গৃহমন্ত্ৰী অমিত শ্বাহে কৰা দাবীৰ দ্বাৰা চীনক 'ক্লিনিচিট' দিয়াৰ অভিযোগ উত্থাপন কৰি তীব্ৰ আক্ৰমণ কৰিছে জয়ৰাম ৰমেশে৷ কংগ্ৰেছে কয় যে বিজেপিয়ে চীনক ক্লিনচিট দিছে৷ কংগ্ৰেছ শাসনলৈ আহিলে চীনৰ বেদখল বন্ধ কৰা হ'ব বুলি দাবী কৰিছে ৰমেশে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মহা সচিব জয়ৰাম ৰমেশে অমিত শ্বাহক প্ৰত্যুত্তৰ দি কয় যে প্ৰতিবাৰেই বিজেপিয়ে চীনক ক্লিনচিট দি আহিছে৷ শাসকীয় দলে দেশৰ হকে চীনৰ অবৈধ বেদখলৰ মোকাবিলা কৰাত বিফল হৈছে৷ কংগ্ৰেছে ইস্তাহাৰত চীনৰ ভূমি দখল আৰু চীনে উদ্ভৱ হোৱা ভাবুকিৰ কথা উল্লেখ কৰিছে৷ দেশৰ প্ৰতিৰক্ষা শক্তিশালী কৰাৰ বাবে এক স্পষ্ট পৰিকল্পনা ব্যক্ত কৰিছে৷ আজি লখিমপুৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিজেপি প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ ভোট বিচাৰি এখন জনসভাত ভাষণ প্ৰদান কৰি চীনে নৰেন্দ্ৰ মোদী চৰকাৰৰ দিনত এক ইঞ্চিভূমি বেদখল কৰিব নোৱাৰাৰ লগতে ১৯৬২ চনৰ চীনে আক্ৰমণৰ সময়ত প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে অসম আৰু অৰুণাচল প্ৰদেশক এৰি দিয়া বুলি কৈছিল বুলি দাবী কৰিছিল। শ্বাহৰ মন্তব্যৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া ব্যক্ত কৰি জয়ৰাম ৰমেশে কয় যে ২০২০ চনৰ ১৯ জুনত চীনৰ ওপৰত সৰ্বদলীয় বৈঠকত প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিছিল যে এজনো চীনা সৈন্য ভাৰতীয় ভূখণ্ডত প্ৰৱেশ কৰা নাই। প্ৰধানমন্ত্ৰীৰ মিছা কথা কৈ সমগ্ৰ বিশ্বৰ সন্মুখত ভাৰতীয় ভূখণ্ডত চীনৰ বেদখলৰ কথা অস্বীকাৰ কৰিছিল। প্ৰধানমন্ত্ৰী একমাত্ৰ ব্যক্তি যিয়ে মিছা কথা কোৱাৰ প্ৰতিযোগিতাত যোগ দিব পাৰে৷ ইপিনে চীনক ক্লিনচিট দিছে গৃহমন্ত্ৰীয়ে। প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে অস্বীকাৰ কৰিলেও চীনে ভাৰতৰ মাটি ২,০০০ বৰ্গ কিলোমিটাৰ দখল কৰিছে। চীনে লাডাখৰ ৬৫টা পেট্ৰলিং পইণ্টৰ ভিতৰত ২৬টাৰ ওচৰ পাইছে। চীনে অৰুণাচলৰ ৫০-৬০ কিলোমিটাৰ ভিতৰত সম্পূৰ্ণ গাঁও নিৰ্মাণ কৰিছে৷ উপগ্ৰহ ছবিৰ ভিত্তিত লোকসভাৰ মজিয়াত বিজেপি সাংসদ তাপিৰ গাঁৱে অভিযোগ উত্থাপিত কৰিছিল৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৭ এপ্ৰিলত অসমলৈ

ৰাহুল গান্ধীয়ে৷ যোৰহাটত এখন আৰু ডিব্ৰুগড়ত এখন জনসভাত অংশ ল'ব ৰাহুল গান্ধীয়ে৷ প্ৰথমে পুৱা ১১ বজাত যোৰহাটত কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈৰ সমৰ্থনত আৰু দুপৰীয়া দিনৰ ১ বজাত ডিব্ৰুগড়ত বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈৰ হৈ ৰাহুল গান্ধীয়ে প্ৰচাৰ চলাব৷ ৰাহুল গান্ধীৰ ভ্ৰমণক লৈ কংগ্ৰেছ নেতা-কৰ্মী উৎসাহী হৈ পৰা দেখা যায়৷ ৰাহুল গান্ধীৰ সভাত জনতাৰ ভিৰ বৃদ্ধি কৰিবলৈ কংগ্ৰেছে ইতিমধ্যে কাম আৰম্ভ কৰিছে৷ ইপিনে কাইলৈ কংগ্ৰেছৰ মহাসচিব জয়ৰাম ৰমেশ দুদিনীয়া কাৰ্যসূচীৰে অসমত উপস্থিত হ'ব। ১০ এপ্ৰিলত বিয়লি ৪.৩০ বজাত যোৰহাটত কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে এখন সংবাদমেল সম্বোধন কৰিব। আনহাতে ১১ এপ্ৰিলত গুৱাহাটী প্ৰেছ ক্লাৱত আবেলি ৩.৩০ বজাত কংগ্ৰেছ নেতাগৰাকীয়ে সংবাদমেল সম্বোধন কৰিব৷ উজনিত যোৰহাট, শোণিতপুৰ, কাজিৰঙা, লখিমপুৰ আৰু ডিব্ৰুগড় সমষ্টি দখলৰ প্ৰয়াস কৰি কংগ্ৰেছে তীব্ৰ প্ৰচাৰ অব্যাহত ৰাখিছে৷ একাংশ নেতাই নিশাৰ ভিতৰতে দল বাগৰি কংগ্ৰেছক দুৰ্বল কৰাৰ প্ৰয়াস কৰিলেও ৰাজ্যিক আৰু কেন্দ্ৰীয় নেতৃত্বই উজনি অসমৰ সমষ্টিক লৈ অত্যাধিক আত্মবিশ্বাসী হৈ পৰিছে৷ ৰাষ্ট্ৰীয় কংগ্ৰেছে গৌৰৱ গগৈ আৰু বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ, ৰজলীনা তিৰ্কী, উদয় শংকৰ হাজৰিকা, প্ৰেমলাল গুঞ্জৰ নিৰ্বাচনী প্ৰচাৰত গুৰুত্ব প্ৰদান কৰিছে৷ প্ৰথম পৰ্যায়ত ১৯ এপ্ৰিলত যোৰহাট, শোণিতপুৰ, কাজিৰঙা, লখিমপুৰ আৰু ডিব্ৰুগড় সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব৷ ইয়াৰ মাজতে কংগ্ৰেছ প্ৰাৰ্থীসকলৰ প্ৰচাৰৰ বাবে ৰাহুল গান্ধীয়ে অসম ভ্ৰমণ কৰাৰ খবৰে প্ৰাৰ্থীসকলৰ লগতে কংগ্ৰেছৰ নেতা-কৰ্মীক উৎসাহী কৰি তুলিছে। উল্লেখ্য যে ভাৰত জোড়ো ন্যায় যাত্ৰাৰ পিছত এয়া হ'ব কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ প্ৰথমটো অসম তথা উত্তৰ-পূব ভ্ৰমণ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পৰেশ বৰুৱাৰ ভাতৃ

সেনাধ্যক্ষ পৰেশ বৰুৱাৰ পৰিয়ালৰ এজন জ্যেষ্ঠ সদস্যই আজি আনুষ্ঠানিকভাৱে ৰাজনৈতিক দলত প্ৰৱেশ কৰাৰ খবৰে বিশেষ চৰ্চা লাভ কৰিছে। আলফা স্বাধীনৰ সেনাধ্যক্ষ পৰেশ বৰুৱাৰ জ্যেষ্ঠ ভাতৃ বিমল বৰুৱাই আজি আনুষ্ঠানিকভাৱে অসম গণ পৰিষদত যোগদান কৰিছে। বিমল বৰুৱা হৈছে আলফা স্বাধীনৰ সেনাধ্যক্ষ পৰেশ বৰুৱাৰ জ্যেষ্ঠ ভাতৃ। বিমল বৰুৱাই পূৰ্বে ৰাজনীতিৰ সৈতে জড়িত যদিও ৰাজনৈতিক দলৰ সদস্য নাছিল। মটক স্বায়ত্ব শাসিত পৰিষদৰ কাউন্সিলাৰ পদত কাৰ্যনিৰ্বাহ কৰি আছে বিমল বৰুৱাই। আজি ডিব্ৰুগড়ৰ চাবুৱাত অগপৰ যোদগান কাৰ্যসূচী আৰু নিৰ্বাচনী কাৰ্যালয়ৰ মুকলি অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত অগপৰ ৰাজ্যিক সভাপতি তথা মন্ত্ৰী অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ উপস্থিতিত বিমল বৰাই দলটোত যোগদান কৰে। বিমল বৰুৱাই অগপত যোগদান কৰি কয় যে মই অগপত যোগদান কৰাৰ চিন্তা কৰি আছিলো। কিয়নো মটক স্বায়ত্ব শাসিত পৰিষদৰ কেইবাজনো সদস্যই বিজেপিত যোগদান কৰিছে। স্থানীয় বিধায়কগৰাকীয়ে মোক অগপত যোগদান কৰিবলৈ আহ্বান জনাইছিল। মই বিজেপিত যোগদান নকৰি অগপত যোগদান কৰিছো। মোৰ দেহত জাতীয়তাবাদৰ তেজ আছে। মই আজিৰে পৰা অসম গণ পৰিষদ দলৰ হৈ কাম কৰি যাম বুলিও কয় বিমল বৰাই। বিমল বৰুৱাৰ এই সিদ্ধান্তক অসমৰ ৰাইজে সন্মান জনাব বুলিও অগপে আশা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমত অমিত শ্বাহৰ

চুকুলীভৰিয়াত আজি দিনৰ প্ৰায় ২ বজাত এখন বিশাল জনসভাত অংশ লৈ ভাষণ প্ৰদান কৰে। বিজেপিৰ উজনিৰ মন্ত্ৰী-নেতাই আজিৰ সভা সফল কৰিবলৈ দীৰ্ঘদিন ধৰি ব্যাপক ব্যস্ত হৈ আছিল। কিন্তু আজি হাজাৰ হাজাৰ লোক সমৱেত কৰি অমিত শ্বাহৰ সভা সফল কৰিলে বিজেপিৰ নেতা-কৰ্মীয়ে। জনসভাত ডিব্ৰুগড়, শোণিতপুৰ, কাজিৰঙা, যোৰহাট সমষ্টিৰ পৰাও বিজেপিৰ নেতা-কৰ্মী উপস্থিত থাকে। পুৱাৰে পৰা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া আটাইকেইখন আসনৰ পৰা বিজেপিৰ নেতা-কৰ্মী আৰু সমৰ্থকে বাছ, সৰু গাড়ী লৈ উপস্থিত হয়। সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপি সভাপতি ভবেশ কলিতা, প্ৰাৰ্থী প্ৰদান বৰুৱা, বিধায়ক নৱ দলৈ, মানৱ ডেকা উপস্থিত থাকে। আনহাতে সভা সমাপ্ত কৰি অমিত শ্বাহ উপস্থিত হয় তিনিচুকীয়াৰ চলিহা নগৰত। তিনিচুকীয়াৰ চলিহা নগৰৰ পৰা থানা চাৰিআলিলৈ ৰোড-শ্ব কৰে শ্বাহে। শ্বাহৰ ৰোড-শ্বত বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। লখিমপুৰৰ চুকুলীভৰিয়াত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কংগ্ৰেছ দল আৰু জৱাহৰলাল নেহেৰুৰ প্ৰসংগ টানি আনে। বিৰোধীয়ে চীনৰ সেনা ভাৰতীয় ভূ-খণ্ডত সোমাই অহা বুলি দাবী কৰি অহাত আজি লখিমপুৰৰ পৰা বিৰোধীক প্ৰত্যুত্তৰ দিয়ে অমিত শ্বাহে। নৰেন্দ্ৰ মোদীৰ দিনত সীমান্ত সুৰক্ষিত বুলি শ্বাহে কয় যে চীনে নৰেন্দ্ৰ মোদী চৰকাৰৰ দিনত আমাৰ এক ইঞ্চি ভূমিও দখল কৰিব পৰা নাই। অন্যথাই বাংলাদেশৰ পৰা হোৱা প্ৰব্ৰজন ৰোধ, বাংলাদেশৰ বেদখল প্ৰতিৰোধ কৰাত চৰকাৰ সফল হৈছে। শ্বাহে ১৯৬২ চনৰ চীনৰ আক্ৰমণৰ কথা উল্লেখ কৰি কয় যে ১৯৬২ চনত চীনৰ আক্ৰমণৰ সময়ত নেহৰুৱে অসম আৰু অৰুণাচলক বায়ঃ বায়ঃ দিছিল। এই কথা উত্তৰ-পূৰ্বাঞ্চলৰ মানুহে কেতিয়াও পাহৰিব নোৱাৰে। কংগ্ৰেছক লক্ষ্য কৰি লৈ কয় যে কংগ্ৰেছে চীনৰ মুখামুখি হোৱাত ব্যৰ্থ হৈছিল। বিৰোধীয়ে চীন সীমান্তত বিজেপি নিষ্ক্ৰিয় বুলি কৰা অহা অভিযোগৰ উত্তৰ দি কয় যে বিজেপি নিষ্ক্ৰিয় নহয়। লখিমপুৰৰ পৰা শোণিতপুৰ, কাজিৰঙা, যোৰহাট, লখিমপুৰ সমষ্টিৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক প্ৰশংসা কৰে অমিত শ্বাহে। কৰ্কট ৰোগৰ চিকিৎসাৰ অসমৰ মানুহে এতিয়া বাহিৰলৈ যাব নালাগে। ৫০ লাখ পৰিয়ালক ঘৰলৈ বিশুদ্ধ পানী যোগান ধৰিছে। ৫১ লাখ মহিলাক ৰন্ধন গেছ প্ৰদান কৰিছে। অমিত শ্বাহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, লাচিত বৰফুকনৰ নাম লৈ কয়, "উত্তৰ-পূব তথা অসমৰ ৰাজ্যসমূহৰ উন্নয়ন হলেহে ভাৰতৰ উন্নয়ন হ'ব। নৰেন্দ্ৰ মোদী তৃতীয়বাৰলৈ প্ৰধানমন্ত্ৰী হ'ব। বিজেপিয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন কৰিছে। অসমৰ বাবে কংগ্ৰেছে কি কৰিছে? গোপীনাথ বৰদলৈক পাহৰিছিল। গোপীনাথ বৰদলৈ, ভূপেন হাজৰিকাক বিজেপিয়ে ভাৰত ৰত্ন দিছে। অসমৰ ৯০০ বিদ্ৰোহী মূলসুঁতিলৈ আহিছে। কংগ্ৰেছৰ দিনত কাজিৰঙাত দৈনিক গঁড় হত্যা হৈছিল। বিজেপি চৰকাৰে গঁড় হত্যা বন্ধ কৰিছে, সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰিছে।'

# বিজেপিয়ে অসমৰ ৮ হাজাৰ বিদ্যালয় বন্ধ কৰিছেঃ আতিশী

**ই-সংবাদ, ৯ এপ্ৰিলঃ** দলৰ মুৰব্বী অৰবিন্দ কেজৰিৱাল জেলত থাকিলেও অসমত আপ নেতৃত্ব প্ৰচাৰত পিছ পৰি থকা নাই। শোণিতপুৰ আৰু ডিব্ৰুগড় সমষ্টিত প্ৰাৰ্থী থিয় কৰোৱা আপে দুয়োটা সমষ্টিত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। দিল্লীৰ পৰা অহা ৰাষ্ট্ৰীয় নেত্ৰী তথা দিল্লীৰ শিক্ষামন্ত্ৰী আতিশী মাৰ্লিনাক লগত লৈ আপে প্ৰচাৰত অব্যাহত ৰাখিছে। আজি ডিব্ৰুগড় লোকসভা সমষ্টিৰ আপ প্ৰক্ষেপিত প্ৰাৰ্থী মনোজ ধানোৱাৰৰ হৈ প্ৰচাৰ চলায় আতিশীয়ে। ৰোড-শ্ব, জনসভা অনুষ্ঠিত কৰি আতিশীয়ে বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি লয়। আতিশীয়ে বিজেপিক আক্ৰমণ কৰি বিজেপি চৰকাৰে অসমৰ ৮ হাজাৰ চৰকাৰী স্কুল বন্ধ কৰি দিয়াৰ অভিযোগ উত্থাপন কৰে। আতিশীয়ে কয় যে হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী নোহোৱাৰ অজুহাতত স্কুল বন্ধ কৰি দিছে। কিন্তু সেই কথা সঁচা নহয়। প্ৰকৃততে বিদ্যালয়ত প্ৰয়োজনীয় আন্তঃগাঁথনিৰ উন্নয়নত ব্যৰ্থ হৈ চৰকাৰে স্কুল বন্ধ কৰিছে। অসমতো দিল্লীৰ দৰে শিক্ষানুষ্ঠান হব বুলিও আতিশীয়ে কয়।

# তৃণমূল-বিজেপি দুই দলৰে কাৰ্যালয়ৰ চকী লৈ গ'ল চোৰে

## নিৰ্বাচনী বতৰত পশ্চিমবংগৰ বাংকুৰাত আজব কাণ্ড

**কলকাতা, ৯ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনক লৈ তৃণমূল-বিজেপিৰ নিৰ্বাচনী যুঁজৰ মাজতে দুয়োটা দলৰ দলীয় কাৰ্যালয়ৰ পৰা চোৰে চুৰি কৰি লৈ গ'ল চকী-মেজ। পশ্চিম বংগৰ বাংকুৰা চহৰত সংঘটিত এই চুৰি কাণ্ডই এতিয়া সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। চহৰখনৰ ৰামপুৰ পূৰ অঞ্চলৰ ৮,৯ আৰু ১২ নং ৱাৰ্ডৰ বিজেপিৰ কাৰ্যালয়ৰ পৰা চকী-মেজ চুৰি হোৱাৰ অভিযোগ উত্থাপন কৰিছে বিৰোধী দলটোৱে। একে সময়তে ৯ নম্বৰ ৱাৰ্ডৰ তৃণমূল কংগ্ৰেছৰ কাৰ্যালয়ৰ পৰাও চকী-মেজ চুৰি হোৱাৰ অভিযোগ উত্থাপন হৈছে। বিজেপিয়ে অভিযোগ কৰা অনুসৰি চোৰে কাৰ্যালয়ত থকা টিভি, ফেন আদি দামী সামগ্ৰী এৰি কেৱল চকী আৰু টেবুলহে চুৰি কৰি লৈ যায়। অভিযোগ অনুসৰি, চোৰে ই-ৰিক্সাত ভৰাই চুৰি কৰি নিয়ে চকী-মেজখিনি। সেই সময়ত চোৰে কেইখন বিজেপিৰ দলীয় পতাকাও ই-ৰিক্সাখনত আঁৰি লৈ যায়, যাতে আনে দেখিলেও সন্দেহ নকৰে। ইফালে বিজেপিয়ে কাৰ্যালয়ৰ এখন দোকানৰ চিচিটিভি সংগ্ৰহ কৰি আৰক্ষীক গতাই দিছে। স্থানীয় বিজেপিৰ একাংশ নেতাই দাবী কৰা মতে, পশ্চিম বংগত ভয়াবহভাৱে বৃদ্ধি পোৱা নিবনুৱা সমস্যাৰ পৰিণতিতে এই চুৰিকাণ্ড সংঘটিত হৈছে। ইফালে চোৰে কাউন্সিলাৰৰ পৰা চাবি সংগ্ৰহ কৰি তৃণমূলৰ দলীয় কাৰ্যালয় খুলি তাৰ পৰাও চকী চুৰি কৰি লৈ যায়। বাংকুৰা চহৰৰ ৯ নম্বৰ ৱাৰ্ডৰ তৃণমূল কাৰ্যালয়ত সংঘটিত হয় এই চুৰিকাণ্ড। বাংকুৰা পৌৰসভাৰ ৯ নং ৱাৰ্ডৰ কাউন্সিলাৰ ভ্ৰমৰ চৌধুৰীয়ে সেই কাৰ্যালয়ত বহি থকা ৱাৰ্ডটোৰ কাম-কাজ পৰিচালনা কৰিছিল। তেওঁ দাবী কৰে যে, 'মই সোমবাৰে বিয়লি ৰায়পুৰত মুখ্যমন্ত্ৰীৰ সভালৈ যাবলৈ ব্যস্ত আছিলো। তেতিয়া এজন যুৱকে দলৰ প্ৰচাৰ ফ্লেক্স ৰখাৰ নামত অফিচৰ চাবি বিচাৰিলে। নাগৰিক স্বেচ্ছাসেৱকৰ সাজ-পোছাক পিন্ধিছিল। মইও চিন্তা নকৰাকৈ চাবিটো দি দিলোঁ। মুখ্যমন্ত্ৰীৰ সভাৰ পৰা অহাৰ পাছত দেখিলো দলৰ কাৰ্যালয় খোলা আছে। চকী বেছি নাই।" তেওঁ আৰু অভিযোগ কৰে, "চোৰে থানালৈ ফোন কৰাৰ নামত মোৰ ছোৱালীৰ পৰা ফোন এটা লৈ গ'ল। গোটেই বিষয়টো মই আৰক্ষীক খবৰ দিছো।" তৃণমূল আৰু বিজেপি - দুটা দলৰ কাৰ্যালয়ত চুৰি সংঘটিত কৰা চোৰটো এজনেই নে বেলেগ বেলেগ তাক লৈও প্ৰশ্ন উত্থাপন হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে।



তিনিচুকীয়াৰ চলিহা নগৰৰ পৰা থানা চাৰিআলিলৈ অমিত শ্বাহৰ ৰোড-শ্ব'

# মহাৰাষ্ট্ৰত অৱশেষত মিলি গ'ল 'ইণ্ডিয়া'ৰ আসনৰ অংক

**মুম্বাই, ৯ এপ্ৰিলঃ** বহুতো জল্পনা কল্পনাৰ অন্তত অৱশেষত মহাৰাষ্ট্ৰতো সম্পন্ন হ'ল বিৰোধীৰ আসনৰ ভাগ-বতৰা। লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মহাৰাষ্ট্ৰত বিৰোধীৰ মিত্ৰজোঁট মহাবিকাশ আঘাড়ীৰ মাজত আসনৰ ভাগ-বতৰাক লৈ শেহতীয়াকৈ সৃষ্টি হৈছিল সমস্যাৰ। কিন্তু নিৰ্বাচনৰ পূৰ্বে এতিয়া এই সমস্যা সমাধান কৰি মহাবিকাশ আঘাড়ীৰ সহযোগী দল উদ্ধৱ থাকৰে গোটৰ শিৱসেনা, কংগ্ৰেছ আৰু শৰদ পাৱাৰৰ এন চি পিৰ মাজত আসনৰ নিষ্পত্তি হোৱা বুলি মঙলবাৰে জানিবলৈ দিয়ে শিৱসেনাৰ সাংসদ সঞ্জয় ৰাউটে। সেই অনুসৰি মহাৰাষ্ট্ৰত এইবাৰ উদ্ধৱ থাকৰে গোটে ২১ আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সন্মত হৈছে। ইয়াৰ বিপৰীতে কংগ্ৰেছে ১৭ খন আসন আৰু শৰদ পাৱাৰৰ এন চি পিয়ে মুঠ ১০ খন আসনত প্ৰাৰ্থিত্ব আগবঢ়াব। ইফালে আজি এন ডি এত চামিল হোৱাৰ সম্ভাৱনা আছে ৰাজ থাকৰেয়ে। গুড়ী পড়ৱা উপলক্ষ্যে মুম্বাইত ৰাজ থাকৰেৰ দল এম এন এছৰ বৃহত্‍ ৰেলীৰ সময়তে থাকৰেয়ে এন ডি এত যোগদান কৰাৰ সম্ভাৱনা কৰা হৈছে। মন কৰিবলগীয়া যে, ইয়াৰ পূৰ্বে ৰাজ্যৰ উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নভিছে কয় যে ৰাজ থাকেৰেয়ে যদি এন ডি এত চামিল হ'ব বিচাৰে, তেন্তে তেওঁৰ বাবে ৰঙা দলিচা পাৰি দিয়া হ'ব।

## একে এণ্টনী উবাচ

# নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী পুত্ৰক পৰাস্ত কৰিবলৈ আহ্বান পিতৃৰ

**তিৰুৱনন্তপুৰম, ৯ এপ্ৰিলঃ** বিজেপিৰ টিকটত লোকসভা নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়োৱা নিজ পুত্ৰক নিৰ্বাচনত পৰাজিত কৰিবলৈ আহ্বান জনালে জ্যেষ্ঠ কংগ্ৰেছ নেতা এ কে এণ্টনীয়ে। এক সংবাদ মেলত পুত্ৰৰ ৰাজনীতি সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে, কংগ্ৰেছ নেতাৰ পুত্ৰ বিজেপিত যোগদান কৰাটো 'ভুল'। তেওঁৰ পুত্ৰ আৰু পুত্ৰৰ দল কোনো কাৰণতে নিৰ্বাচনত জয়লাভ কৰাটো উচিত নহয় বুলিও মন্তব্য কৰে এ কে এণ্টনীয়ে। তেওঁ লগতে কয়, 'কংগ্ৰেছ মোৰ ধৰ্ম'। উল্লেখ্যে যে, সমাগত লোকসভা নিৰ্বাচনত কংগ্ৰেছ নেতা এ কে এণ্টনীৰ পুত্ৰ অনিল কেই কেৰালাৰ পাঠানমথিটা লোকসভা আসনৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াইছে বিজেপিয়ে। পিতৃ এ কে এণ্টনীয়ে কয় যে, এই সমষ্টিটোৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী এণ্টো এণ্টনীয়ে জয়লাভ কৰিব লাগে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে এইবাৰৰ লোকসভা নিৰ্বাচনক 'কৰক নহ'লে মৰক' নিৰ্বাচন বুলি অভিহিত কৰিছিল এ কে এণ্টনীয়ে। তেওঁ কয় যে এইবাৰৰ লোকসভা নিৰ্বাচনেই নিৰ্ধাৰণ কৰিব যে ভাৰতৰ ধাৰণাটো থাকিব নে নাথাকে।

## হিলাল সমিতিৰ ঘোষণা

# ১১ এপ্ৰিলত ঈদ-উল-ফিটৰ

**ই-সংবাদ, ৯ এপ্ৰিলঃ** এমাহ ৰোজা ৰখাৰ অন্তত আটাইতকৈ ডাঙৰ ধৰ্মীয় উৎসৱ ঈদ-উল-ফিটৰ পালন কৰিবলৈ সাজু হৈছে ইছলাম ধৰ্মাৱলম্বীসকল। ৩০টা দিন উপাবাসে থাকি ১১ এপ্ৰিলত ঈদ-উল-ফিটৰ পালন কৰিব অসমৰ ইছলামধৰ্মীয়ে। আজি হিলাল সমিতিয়ে এই কথা ঘোষণা কৰিছে। ১১ এপ্ৰিল (বৃহস্পতিবাৰে) দেশৰ বাকী অংশৰ লগতে অসমত ঈদ-উল-ফিটৰ উদযাপন কৰা হ'ব বুলি আজি কেন্দ্ৰীয় হিলাল সমিতিয়ে নিশ্চিত কৰিছে। অসমৰ কেন্দ্ৰীয় হিলাল সমিতিৰ সভাপতি মৌলানা শ্বেখ ফখৰুদ্দিন আহমেদ কাছিমী আৰু সাধাৰণ সম্পাদক আলহাজ ইমদাদ হুছেইনে সংবাদ মাধ্যমক এই কথা জানিবলৈ দিয়ে। আৰৱত কাচি জোন দেখা পোৱাত এই দিন নিৰ্ধাৰণ কৰা হৈছে। ভাৰতৰ কেইবাটাও প্ৰান্তৰ লগতে অসমত ১১ এপ্ৰিলত ঈদ উদযাপন কৰা হ'ব। দেশৰ বিভিন্ন প্ৰান্তৰ লগত অসমৰ ইছলামধৰ্মীসকলে বিভিন্ন বজাৰত ভিৰ কৰা পৰিলক্ষিত কৰা হৈছে। বিভিন্ন সু-স্বাদু খাদ্য-সামগ্ৰী ক্ৰয় কৰাৰ লগতে নতুন কাপোৰ কিনাত ব্যস্ত হৈ পৰিছে। খুব আনন্দৰে সম্প্ৰীতিৰ বাৰ্তা দি ঈদ-উল-ফিটৰ পালন কৰাৰ প্ৰস্তুত চলোৱা পৰিলক্ষিত হৈছে।

## উত্তপ্ত অৰুণাচল প্ৰদেশৰ বাছাৰ, এনপিপিৰ ধৰ্ণা

# বিজেপি বিধায়কৰ ঘনিষ্ঠৰ বাহনৰ পৰা ১ কোটি টকা উদ্ধাৰ

**ইটানগৰ, ৯ এপ্ৰিলঃ** অৰুণাচল প্ৰদেশত লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ প্ৰচাৰক লৈ ৰাজনৈতিক দলসমূহ ব্যস্ত হৈ পৰাৰ সময়তে আজি ফ্লায়িং স্কোৱাডে এগৰাকী বিজেপি নেতাৰ পৰা ১ কোটি নগদ ধন উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। অৰুণাচলৰ লেপাৰাডা জিলাৰ বাছাৰত আৰক্ষীয়ে অভিযান চলাই বিজেপি প্ৰাৰ্থীৰ সমৰ্থক টোমো বামৰ পৰা নগদ ১ কোটি টকা জব্দ কৰিবলৈ সক্ষম। টোমো বাম বাছাৰ বিধানসভা সমষ্টিৰ বিজেপি বিধায়ক তথা প্ৰাৰ্থী নিয়াবি জিনি দিৰ্চীৰ সমৰ্থক বুলি জানিব পৰা গৈছে। টোমো বামে এখন বলেৰ' বাহনখনত নগদ ধন কঢ়িয়াই আনিছিল। এনপিপিৰ সমৰ্থকসকলে এই খবৰ লাভ কৰাৰ পাছতে এআৰ-২৫-০১০৯ নম্বৰৰ বলেৰ' বাহনখন আৱদ্ধ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। টকা উদ্ধাৰৰ পাছতে বিজেপিৰ বিৰুদ্ধে ধৰ্ণা দিয়াৰ লগতে টকাসমূহ ভোটাৰৰ মাজত বিতৰণ কৰিবলৈ অনা বুলি দাবী কৰাৰ লগতে এই অপসংস্কৃতি বন্ধ কৰিবলৈ দাবী জনাই এনপিপি দলে। বিজেপি প্ৰাৰ্থী নিয়াবি জিনি দিৰ্চীয়ে এনে কাণ্ড কৰা বুলি দাবী কৰিছে এনপিপি দলে। উত্তপ্ত পৰিস্থিতিৰ পাছতে আৰক্ষীয়ে গোচৰ ৰুজু কৰিবলৈ বাধ্য হয়। বিৰোধী দলে দাখিল কৰা আন এজাহাৰত ধনৰ অপব্যৱহাৰ, আচৰণ বিধি উলংঘন কৰাৰ অভিযোগ আনে। ইয়াৰ পূৰ্বে গোৰীগাঁৱত বিজেপিৰ প্ৰাৰ্থীৰ এখন বাহনৰ পৰা ২ লাখ টকা উদ্ধাৰ কৰা হৈছিল। কিন্তু পিছত আৰক্ষী থানা পোৱাৰ পাছতে ৰহস্যজনকভাৱে সেই ঘটনাক লৈ নিৰৱ হৈ পৰে অৰুণাচল প্ৰদেশৰ আৰক্ষী।




# চৰাইদেউ জিলাত 'সক্ষম এপ'ক লৈ প্ৰশিক্ষণ সম্পন্ন

**ই-সংবাদ, সোণাৰি, ৯ এপ্ৰিলঃ** সাধাৰণ নিৰ্বাচনক লৈ চৰাইদেউ নিৰ্বাচনী জিলাৰ প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষৰ উদ্যোগত যোৱা ৮ এপ্ৰিলত জিলা আয়ুক্তৰ কাৰ্যালয়ত দিব্যাংগ ব্যক্তিসকলৰ সুবিধাৰ্থে ভাৰতীয় নিৰ্বাচনী আয়োগে কাৰ্যক্ষম কৰা 'সক্ষম এপ'ক লৈ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰশিক্ষণ কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত শ্ৰাৱণা সোণোৱাল উপস্থিত থাকি কয় যে দিব্যাংগ ব্যক্তি আৰু ৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ ভোটাৰসকলৰ বাবে নিৰ্বাচনী আয়োগে 'সক্ষম এপ'ৰ জৰিয়তে বিভিন্ন সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিছে। নিজ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ যাওঁতে তেওঁলোকে যাতে কোনো অসুবিধাৰ সন্মুখীন নহয়, তাৰ বাবে নিজৰ মোবাইলতে উপলব্ধ 'সক্ষম এপ'ৰ জৰিয়তে ঘৰত বহিয়েই আবেদন কৰিব পাৰিব। অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে লগতে সক্ষম এপ'ৰ ব্যৱহাৰ সন্দৰ্ভত উপস্থিত দিব্যাংগ ব্যক্তিসকলৰ সন্মুখত বিতংকৈ অৱলোকন দাঙি ধৰে। বিভিন্ন প্ৰশ্ন আৰু সমস্যাৰো তেওঁ সমাধান আগবঢ়ায়। প্ৰশিক্ষণ কাৰ্যসূচীত সহকাৰী আয়ুক্ত উৰ্বশী চেতিয়াৰো বক্তব্য প্ৰদান কৰে। কাৰ্যসূচীত জিলাখনৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া মিৰাণ্ডা সোণোৱাল, প্ৰিয়ংকা টাইড আৰু মৌচুমী গগৈ প্ৰমুখ্যে মুখ্য সেৱিকাবৃন্দ, পোষণ অভিযানৰ জিলা সমন্বয়ক দ্বীপেন বৰুৱা আৰু ভালেসংখ্যক দিব্যাংগ ব্যক্তি উপস্থিত থাকে।

# বিহু সমিতিক ডেৰ লাখ টকাকৈ দিব পাৰিব ৰাজ্য চৰকাৰে

**ই-সংবাদ, ৯ এপ্ৰিলঃ** নিৰ্বাচনী আচৰণ বিধি জাৰি হৈ থকাত বিহু সমিতিসমূহক ডেৰ লাখকৈ টকা দিব নোৱাৰাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুখ প্ৰকাশ কৰিছিল। নিৰ্বাচন আয়োগক আৰ্জি দিছিল যে ৰাজ্যৰ বিহু সমিতিসমূহক যাতে মাননি দিব পৰাৰ ব্যৱস্থা কৰে দিয়ে। মুখ্যমন্ত্ৰীৰ এনে আৰ্জিৰ পাছতে ৰাজ্যপাল গোলাব চান্দ কাটাৰীয়াই নিৰ্বাচন আয়োগক বিহুৰ মাননি দিব পৰাৰ ব্যৱস্থা কৰি দিবলৈ নিৰ্বাচন আয়োগক আহ্বান জনাইছিল। মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালৰ আৰ্জিক গুৰুত্বসহকাৰে লৈ নিৰ্বাচন আয়োগে সেউজ সংকেত প্ৰদান কৰিছে। প্ৰতিখন বিহু সমিতিক চৰকাৰে মাননি দিব পাৰিব। বিহু সমিতিক মাননি দিয়াত বাধা নিদিয়ে নিৰ্বাচন আয়োগে। নিৰ্বাচন আয়োগৰ সেউজ সংকেত লাভৰ পাছতে ৰাজ্য চৰকাৰে তৃতীয়বাৰৰ বাবে ৰাজ্যৰ বিহু সমিতিসমূহক মাননি দিবলৈ সাজু হৈছে। ৰাজ্যপালে নিৰ্বাচন আয়োগক প্ৰদান কৰিছিল এক আবেদন। আবেদনৰ পিছতে ৰাজ্য চৰকাৰলৈ সঁহাৰি দিছ দেশৰ নিৰ্বাচন আয়োগে। কিছুদিন পূৰ্বে বিহু সমিতিক অনুদান দিয়াৰ অনুমতি বিচাৰি আহ্বান জনাইছিল মুখ্যমন্ত্ৰী ডঃ শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কৈছিল যে ১০ বছৰতকৈ অধিক পুৰণি বিহু সমিতিক চৰকাৰে দিয়া অনুদান দিবলৈ অনুমতি দিয়াৰ আহ্বান জনাইছো নিৰ্বাচন আয়োগক। বিহু সমিতিক দিয়া অনুদান দিবলৈ আমাক যাতে অনুমতি দিয়ে। যদি আয়োগে অনুমতি নিদিয়ে তেন্তে নিৰ্বাচনৰ পিছত দিম। এইকেইদিন ধাৰ হৈ থাকিব। ৰাজ্য চৰকাৰে ১০ বছৰতকৈ অধিক পুৰণি বিহু সমিতিক ডেৰ লাখ টকাকৈ অনুদান প্ৰদান কৰি আহিছে। এইবেলিও প্ৰদান কৰাৰ কথা আছিল যদিও নিৰ্বাচনী অধিসূচনা জাৰি হোৱাত চৰকাৰে ধন মুকলি কৰিব পৰা নাছিল।



মাজুলীত মন্ত্ৰী পীযূষ হাজৰিকাৰ নিৰ্বাচনী প্ৰচাৰ

## কংগ্ৰেছ নেতা শংকৰ জ্যোতি হাজৰিকাৰ বিজেপিত যোগদান

# ভূপেন বৰাই কংগ্ৰেছ ধ্বংস কৰিলে, মাজুলীত ক'লে পীয়ুষে

**পৰাণজ্যোতি বৰা, মাজুলী, ৯ এপ্ৰিলঃ** ভূপেন বৰাই মুখ্যমন্ত্ৰী গাদীৰ কথা চিন্তা কৰিব নালাগে, কংগ্ৰেছ দলটো ৰাখিব পাৰি নে কি সেইটো চিন্তা কৰক। ভূপেন বৰাৰ দিনতে কংগেছ দল ধ্বংস হ'ল। এই কেইদিনত ভিতৰতে বহু কংগ্ৰেছ কৰ্মীয়ে বিজেপিত যোগদান কৰিলে। ভূপেন বৰা এশ দিনৰ ভিতৰত সলনি হ'ব, চকীখন যাওঁ যাওঁ। আজি মাজুলীত যোৰহাটৰ বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই মন্ত্ৰী পীয়ুষ হাজৰিকাই এনেদৰে আক্ৰমণ কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক। আজি মাজুলীৰ মেৰাগড়, বনগাঁৱত নিৰ্বাচনী সভাত জনতাক সম্বোধন কৰি মন্ত্ৰী পীয়ুষ হাজৰিকাই যোৰহাট লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈক বিপুল ভোটত জয়যুক্ত কৰিব আহ্বান জনায়। ভূপেন বৰাক আক্ৰমণ কৰি চিকিৎসাৰ পৰামৰ্শ দি মন্ত্ৰী হাজৰিকাই কয় যে ভূপেন বৰাই যি-টি কবলৈ আৰম্ভ কৰিছে। চিকিৎসা কৰক, নহলে নিজৰ দলটোক ৰাখিবলৈ চেষ্টা কৰক। মাজুলী বিভিন্ন সমস্যাত ভুগি আছে। এই সমস্যা বিলাকৰ মূল কাৰণ হ'ল মাজুলীত এখন দলং লাগে। অহা দুবছৰত মাজুলীৰ দলং সম্পূৰ্ণ হৈ উঠিব আৰু মাজুলীৰ সমস্যা বিলাক নাইকিয়া হৈ যাব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে। মাজুলীয়ে দলঙৰ বাবে আন্দোলন কৰিব লগা হৈছিল বুলি কৈ মন্ত্ৰীগৰাকীয়ে কয় যে দলঙৰ বাবে আন্দোলন কৰি বহু ব্যক্তিয়ে ইহসংসাৰ ত্যাগ কৰিছে। বহু ব্যক্তিয়ে বেমাৰত ব্ৰহ্মপুত্ৰ পাৰ হ'ব নোৱাৰি শেষ নিশ্বাস ত্যাগ কৰিলে। গতিকে এই দলঙখন কোনে কৰিলে ভাৰতীয় জনতা পাৰ্টি চৰকাৰে কৰিলে, ডাবল ইঞ্জিনৰ চৰকাৰে কৰিলে, ভাৰতৰ প্ৰধানমন্ত্ৰী মোদীয়ে কৰিলে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰিলে বুলি উল্লেখ কৰে। মন্ত্ৰী হাজৰিকাই আৰু কয় যে আজি মাজুলীলৈ আহিবলৈ বেলেগ পৰিৱেশ হল, মাজুলীলৈ আহিবলে ভাল লাগে, ২০১০ চনত মই প্ৰথমবাৰ মাজুলীলৈ আহিছিলো, ৰাস্তা-পদূলি খুব বেয়া আছিল, বানে গৰকা আছিল মাজুলী। যেতিয়া সৰ্বানন্দ সোণোৱাল বিধানসভাৰ সদস্য হ'ল তেতিয়াৰ পৰাই মাজুলীৰ প্ৰত্যেকটো কেঁচা ৰাস্তা পকী হ'ল। মাজুলীৰ উন্নয়নৰ ঢল বৈ গ'ল। আজি মাজুলী আগৰ মাজুলী হৈ থকা নাই। চব ফাল পৰাই পৰিৱৰ্তন হ'ল। মই জলসম্পদ মন্ত্ৰী হিচাপে মাজুলীৰ গৰাখহনীয় প্ৰতিৰোধ বাবে ১০৪ কোটি টকা আঢ়ৈ বছৰত দিছো। মাজুলীৰ বানপানী খহনীয় সমস্যা এটা এটাকৈ নাইকিয়া কৰিম। স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে আমি চিকিৎসা মহাবিদ্যালয়ৰ সংখ্য বঢ়াইছো। কংগ্ৰেছে দেশখন ৬০ বছৰ চলালে এই ৬০ বছৰত অসমত মাত্ৰ ৬ খন চিকিৎসা মহাবিদ্যালয় বনালে আৰু আমি ৮ বছৰত ১৮খন চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিলো বুলিও কয় মন্ত্ৰী হাজৰিকাই। সভাতেই কংগেছ প্ৰাৰ্থী গৌৰৱ গগৈ হৈ আজি দুদিনৰ আগলৈকে মাজুলীত গৌৰৱ গগৈ লগত একেলগে নিৰ্বাচনৰ প্ৰচাৰ চলাই থকা কংগ্ৰেছৰ মাজুলী জিলা সমিতিৰ উপ-সভাপতি শংকৰ জ্যোতি হাজৰিকাই সমৰ্থকক লগত লৈ বিজেপি দলত যোগদান কৰে। মাজুলী জিলা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক ফিজু দত্তও সমৰ্থকক লগত লৈয় বিজেপিত যোগদান কৰে। মন্ত্ৰীগৰাকীয়ে দুয়ো নেতাক বিজেপি দললৈ আদৰণি জনায়।

# কেন্দ্ৰীয় পৰ্যবেক্ষকৰ ভ্ৰমণ, বাক্সা নিৰ্বাচনী জিলাত বৈঠক সম্পন্ন

**ই-সংবাদ, বৰমা, ৯ এপ্ৰিলঃ** নিৰ্বাচন আয়োগে নিয়োগ কৰা কেন্দ্ৰীয় পৰ্যবেক্ষকে আজি বাক্সা নিৰ্বাচনী জিলা ভ্ৰমণ কৰে। আজি বাক্সা জিলা আয়ুক্ত কাৰ্যালয়ত সাধাৰণ পৰ্যবেক্ষক ড০ এম আৰ ৰবিৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়। সমাগত লোকসভা নিৰ্বাচন যাতে স্বচ্ছ, নিকা আৰু সুকলমে অনুষ্ঠিত হয় তাৰ প্ৰতি সকলো বিষয়া-কৰ্মচাৰীকে বিশেষভাৱে গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায় ৰবিয়ে। একাংশ কোষ পৰিদৰ্শন কৰে। আজিৰ বৈঠকত আৰক্ষী পৰ্যবেক্ষক পানাছা ৰেড্ডী, ব্যয় পৰ্যবেক্ষক দীপক আনন্দ, বাক্সা জিলাৰ আয়ুক্ত কৃষ্ণা বৰুৱা, সহকাৰী ব্যয় পৰ্যবেক্ষক, বাক্সা জিলাৰ আৰক্ষী অধীক্ষক, তামুলপুৰ জিলাৰ আৰক্ষী অধীক্ষক তথা চে'লসমূহৰ ন'ডেল বিষয়াসকল উপস্থিত থাকে। বাক্সাত দুটা অংশত লোকসভা নিৰ্বাচন দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ অধীনত ৪৩নং তামুলপুৰ (জনজাতি) আৰু ৪৪ নং গোৰেশ্বৰ বিধানসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ বিপৰীতে তৃতীয় পৰ্যায়ত ৪১নং মানস আৰু ৪২ নং বাক্সা (জনজাতি) বিধানসভা সমষ্টিত অনুষ্ঠিত হ'ব ভোটগ্ৰহণ।

# লখিমপুৰ তেলাহীত 'বিদ্যা মন্দিৰ' নামেৰে প্ৰাক-প্ৰাথমিক বিদ্যালয় মুকলি

**ই-সংবাদ, উত্তৰ লখিমপুৰ, ৯ এপ্ৰিলঃ** সোমবাৰে লখিমপুৰ জিলাৰ বৃহত্তৰ তেলাহী অঞ্চলৰ দ-গতি গাঁৱত শিশুৰ বৌদ্ধিক আৰু মানসিক উন্নতি সাধনৰ উদ্দেশ্যে স্বেচ্ছাসেৱী সংগঠন 'আশ্বাস-দ্যা ৰে অৱ হপ'ৰ উদ্যোগত 'বিদ্যা মন্দিৰ-The Joyful Learning' নামেৰে এখন প্ৰাক প্ৰাথমিক বিদ্যালয়ৰ শুভ আৰম্ভণি কৰা হয়। বৰ্ণাঢ্য কাৰ্যসূচীৰে বিদ্যালয়ৰ দ্বাৰ উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী ৰামনাথ বৰাই।বন্তি প্ৰজ্বলন কৰে গীতাচাৰ্য পুৰন্দৰ বৰুৱাই। বিদ্যালয়ত নামভৰ্তি কৰা শিশুসকলৰ অভিভাৱক-অভিভাৱিকা আৰু বিদ্যালয় পৰিচালনা সমিতিৰ উপস্থিতিত আশ্বাস-দ্যা ৰে অৱ হপৰ সভাপতি ভাস্কৰ বৰাই সঞ্চালনাত এখন সভা অনুষ্ঠিত হয়। সভাত গীতাচাৰ্য পুৰন্দৰ বৰুৱাই বৰ্তমান সময়ত শিশুসকলক সৰুৰে পৰাই নৈতিকতা, সু-সংস্কাৰিত কৰি গঢ়ি তুলি ভৱিষ্যতে এজন সু-নাগৰিক হ'ব পাৰে তাৰ বাবে অভিভাৱকসকলক এতিয়াৰ পৰাই চেষ্টা কৰিব লাগিব বুলি পৰামৰ্শ দিয়ে। সভাত বিদ্যা মন্দিৰ-The Joyful learningৰ সঞ্চালিকা তুলিকা বৰুৱা, শিক্ষয়িত্ৰী বিপ্লবী ৰাজখোৱা, নয়না বৰা, সহায়ীকা পপী দত্তৰ লগতে আশ্বাস-দ্যা ৰে অৱ হপৰ সদস্য ৰূপমজ্যোতি চেতিয়া, বৰষা শইকীয়া, ববী তামুলী, পুষ্পাঞ্জলী বৰা, ৰিয়া বৰা, দিপালী বৰাৰ লগতে অঞ্চলটোৰ ভালেকেইজন গণ্য-মান্য ব্যক্তি উপস্থিতি থাকে৷ বিদ্যা মন্দিৰ -The Joyful learningত শিশুসকলক খেলা-ধুলা, গীত-মাত, ডিজিটেল মাধ্যমেৰে অভিজ্ঞ আৰু প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ দ্বাৰা শিক্ষা প্ৰদান কৰি প্ৰাথমিক পৰ্যায়ত শিক্ষাগ্ৰহণৰ বাবে শিশুসকলক প্ৰস্তুত কৰি তোলা হ'ব। প্ৰতিষ্ঠানত শিশুসকলক দৈনিক পৰিচৰ্যাৰ বাবেও দে কেয়াৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ২০২৪-২৫ শৈক্ষিক বৰ্ষৰ বাবে প্লে গ্ৰুপত নামভৰ্তি প্ৰক্ৰিয়া চলি আছে। আগন্তুক দিনসমূহত বিদ্যালয়খনত আৰু অধিক সুবিধা উপলব্ধ কৰি বিদ্যালয়খনক আগবঢ়ায় নিব পাৰি তাৰ ওপৰতো অভিভাৱকসকলৰ পৰামৰ্শ গ্ৰহণ কৰা হয়।

# নাবালিকা ধৰ্ষণকাৰীক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড মৰিগাঁও পকছ' আদালতৰ

**ই-সংবাদ, মৰিগাঁও, ৯ এপ্ৰিলঃ** মৰিগাঁও পক'চ আদালতে আজি নাবালিকা ধৰ্ষণকাৰীৰ দোষী সাব্যস্ত হোৱা এজন লোকক ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। বৰপেটা জিলাৰ বাঘবৰ আৰক্ষী থানাৰ অন্তৰ্গত সত্ৰ কানাই গাঁৱৰ ৰমজান আলী (৩৮) নামৰ লম্পটে মৰিগাঁও চহৰৰ সমীপৱৰ্তী পোৱা বজাৰৰ এখন ফাৰ্মিচাৰ দোকানত নিয়োজিত হৈ আছিল। লম্পটে দুবছৰ পূৰ্বে সেই অঞ্চলৰে ছয় বছৰীয়া এগৰাকী নাবালিকাক নিৰ্মম ভাবে ধৰ্ষণ কৰিছিল। এই ঘটনাৰ পাছতে নাবালিকাগৰাকীৰ পৰিয়ালৰ লোকে মৰিগাঁও আৰক্ষী থানাত ৩৩৮/২০২২ নম্বৰত এটা গোচৰ ৰুজু কৰিছিল। ঘটনাৰ ক্ষিপ্ৰতাৰে তদন্ত কৰি মৰিগাঁও আৰক্ষী থানাৰ মহিলা উপ-পৰিদৰ্শক দেৱীকা ব্ৰহ্মই মৰিগাঁও পক'চ আদালতত অভিযোগনামা দাখিল কৰে। অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'চ আদালতৰ বিশেষ ন্যায়াধীশ এন.এম আহমেদে পক'চ আইনৰ ৬ ধাৰাত দোষী সাব্যস্ত কৰি নাবালিকা ধৰ্ষণকাৰী ৰমজান আলীক ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। গোচৰটোত আৰক্ষী পক্ষৰ পৰা ট্ৰায়েল মণিটৰিং বিষয়া আছিল মৰিগাঁৱৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) সমীৰণ বৈশ্য।

# মৈৰাবাৰীৰ ড্ৰাগছ ব্যৱসায়ী মহৰ আলিক গ্ৰেপ্তাৰ, স্থানীয় ৰাইজৰ সন্তুষ্টি প্ৰকাশ

**ই-সংবাদ, মৈৰাবাৰী, ৯ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ পশ্চিম মৈৰাবাৰীত মৈৰাবাৰী আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছ ব্যৱসায়ী মহৰ আলিক (৪৭) গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ মৈৰাবাৰী বজাৰৰ সমীপৱৰ্তী এলেকাত দীৰ্ঘ দিন ধৰি ড্ৰাগছৰ ৰমৰমীয়া বেহা চলোৱা মহৰ আলিৰ বাসগৃহত আৰক্ষীয়ে অভিযান চলায়। অভিযানকালত মহৰ আলিৰ ঘৰৰ পৰা ৭টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ, দুটা মোবাইল আৰু ৫৬ হাজাৰ নগদ ধন জব্দ কৰিবলৈ সক্ষম হয়। দীৰ্ঘদিন ধৰি মহৰে অঞ্চলটোত ড্ৰাগছৰ দৰে ৰবিবহ বিক্ৰী কৰি আহিছিল৷ মৈৰাবাৰী আৰক্ষীয়ে তিনিবাৰ ড্ৰাগছ ব্যৱসায় কৰা অপৰাধত আটক কৰিছিল যদিও বাৰম্বাৰ জেল-হাজোতৰ পৰা মুকলি হৈ ড্ৰাগছৰ ব্যৱসায়ত লিপ্ত হয় মহৰ। কুখ্যাত মহৰ আলিক এনেদৰে গ্ৰেপ্তাৰ কৰাত অঞ্চলটোৰ ড্ৰাগছ বিৰোধী ৰাইজে আৰক্ষীৰ শলাগ লৈছে৷ উল্লেখ্য যে অঞ্চলটোত এনে ঘটনা ঘটিয়েই আহিছে।

## শেষ পৃষ্ঠা

### জব্দ ২খন বাহন

# গোলাঘাটত উৎখাত ভেজাল সুৰাৰ অবৈধ কাৰখানা

**ই-সংবাদ, গোলাঘাট, ৯ এপ্ৰিলঃ** নিৰ্বাচনী প্ৰচাৰৰ ধামখুমীয়াৰ মাজতে আজি অবৈধ সুৰা কাৰখানা উৎখাত কৰিবলৈ সক্ষম হৈছে অসম আৰক্ষী৷ দীৰ্ঘদিন ধৰি গোপনে সুৰা কাৰখানা চলাই থকা চক্ৰ এটাক ধৰাৰ লগতে উদ্যোগ উৎখাত কৰিবলৈ সক্ষম হৈছে গোলাঘাট আৰক্ষী৷ আজি গোলাঘাট আৰক্ষীয়ে গোলাঘাটৰ বেঙেনাখোৱাত অভিযান চলাই অবৈধ আৰু ভেজাল সুৰাৰ কাৰখানা উৎখাত কৰে৷ ২ হাজাৰ সুৰাৰ বটল আৰু সুৰা প্ৰস্তুতত ব্যৱহৃত সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়৷ লগতে এএছ-০৫-এচি-১৫৭৬ আৰু এএএছ-০৫-এইছ-১২২২ নম্বৰৰ দুখন বাহন জব্দ কৰিবলৈ সক্ষম হৈছে৷ জানিব পৰা মতে, গোলাঘাটৰ বেঙেনাখোৱাত দীৰ্ঘদিন ধৰি ভেজাল সুৰা তৈয়াৰ কৰাৰ লগতে বটলিং কৰি বজাৰত বিক্ৰী কৰি আহিছিল৷ এটা চৌহদত চৌদিশে বেৰ দি ভেজাল সুৰা তৈয়াৰ কৰি বৃহৎ ব্যৱসায় চলাই আছিল৷ এই কথা গোপনে কোনো লোকে খবৰ দিয়ে আৰক্ষীক৷ আজি আৰক্ষীয়ে অভিযান চলাই ভেজাল কাৰখানা উৎখাত কৰাৰ লগতে চাৰিগৰাকীকৈ লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ আৰক্ষীয়ে অমৃতাভ চন্দ্ৰ, মনোজ নাথ, ৰিমন সন্দিকৈ, ইয়াজুল আলিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ কিন্তু কাৰখানাৰ মালিকগৰাকী পলায়ন কৰিবলৈ সক্ষম হৈছে৷ মানৱ সন্দিকৈ নামৰ এজন ৰাজনৈতিকভাৱে প্ৰভাৱশালী লোকে এই ব্যৱসায় চলাই আছিল৷ একাংশ লোকক মেনেজ কৰি সামাজিক পৰিৱেশ দূষিত কৰি মানৱ সন্দিকৈয়ে এই ব্যৱসায় চলাই আছিল৷ কেইবা বছৰ ধৰি ভেজাল সুৰাৰ অবৈধ কাৰখানা বেহা চলি আছিল যদিও প্ৰশাসন আৰু আৰক্ষীয়ে কিয় খবৰ পোৱা নাছিল কিয়, তাকে লৈ প্ৰশ্ন উত্থাপন হৈছে৷









# বিৰল মহাজাগতিক পৰিঘটনাৰ সাক্ষী হৈ ৰ'ল ৩খন দেশৰ নাগৰিক

**নিউয়ৰ্ক, ৯ এপ্ৰিলঃ** বিশ্বৰ বিভিন্ন লোকে বিৰল মহাজাগতিক পৰিঘটনাৰ সাক্ষী হৈ ৰ'ল৷ মেক্সিকো, কানাডা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিভিন্ন অংশত লাখ লাখ লোকে সোমবাৰে বিৰল সম্পূৰ্ণ সূৰ্য্যগ্ৰহণ প্ৰত্যক্ষ কৰিলে। সোমবাৰে নিশা ভাৰতৰ সময় অনুসৰি নিশা ১০.৪৬ বজাত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ পৰা সূৰ্যগ্ৰহণ আৰম্ভ হয়। চন্দ্ৰৰ ছাঁ সূৰ্যৰ ওপৰত পৰে আৰু সময় যোৱাৰ লগে লগে ছাঁৰ আকাৰ বাঢ়ি আহে। নিশা ১২ঃ০৫ বজাৰ পিছত সম্পূৰ্ণ গ্ৰহণ দৃশ্যমান হয়। চন্দ্ৰৰ ছায়াই সূৰ্য্যক সম্পূৰ্ণ ঢাকি ধৰাত পোহৰ নাশ হৈ নিশাৰ পৰিবেশে বিৰাজ কৰে৷ প্ৰায় ৫ মিনিট আন্ধাৰত ডুব যায় মেক্সিকো, কানাডা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিভিন্ন অংশ। সম্পূৰ্ণ সূৰ্যগ্ৰহণৰ প্ৰথম দৃশ্য দেখা গৈছিল মেক্সিকোৰ ছকৰ দ্বীপত। তাৰ পাছতে আমেৰিকা যুক্তৰাষ্ট্ৰত এক উন্মাদনাৰে ভৰি পৰে৷ নাছাই সূৰ্যগ্ৰহণ চাবলৈ ইউটিউবত অফিচিয়েল ব্ৰডকাষ্ট চেনেলত মনোমোহা লাইভ ষ্ট্ৰীম শ্বেয়াৰ কৰে। প্ৰায় এক শতিকাত প্ৰথমবাৰৰ বাবে নিউয়ৰ্ক ৰাজ্যৰ পশ্চিম আৰু উত্তৰ অঞ্চলত সম্পূৰ্ণ সূৰ্য্য গ্ৰহণ দেখা গৈছিল। মেক্সিকান সমুদ্ৰ তীৰৰ ৰিজৰ্ট চহৰ মাজাটলান মুখ্য দৰ্শন স্থান আছিল। আংশিক গ্ৰহণ মেক্সিকোৰ সৈতে দক্ষিণ সীমান্তৰ ঈগল পাছৰ ওচৰৰ দক্ষিণ টেক্সাছত আৰম্ভ হৈছিল৷ যাৰ ফলত আমেৰিকা যুক্তৰাষ্ট্ৰত গ্ৰহণ আৰম্ভ হৈছিল। ২০২৪ চনৰ সম্পূৰ্ণ সূৰ্যগ্ৰহণ এক ঐতিহাসিক মহাকাশীয় ঘটনা যাক ২০৪৪ চনলৈকে পুনৰ আমেৰিকা যুক্তৰাষ্ট্ৰত এনে দৃশ্য দেখা নাপাব৷ ২০৪৬ চনলৈ কেতিয়াও পৃথিৱীৰ এই অংশত এনে দৃশ্য দেখা পোৱা নাযাব।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান